Total number of printed pages–3

24–1R/23–1A/2024 (ASM1103SE)

**2024**

**ASSAMESE**

(SEC)

Paper : ASM1103SE

***( Natak aru Manchakala )***

*Full Marks : 50*

Time : Two hours

***The figures in the margin indicate full marks for the questions.***

১। তলৰ দিয়া প্ৰশ্নকেইটাৰ চমু উত্তৰ কৰা : ১×৫=৫

(ক) 'নাটক মঞ্চৰ ওপৰত নিৰ্ভৰশীল আৰু অভিনয়ৰ জৰিয়তেহে ইয়াৰ ৰস প্ৰধানকৈ উপভোগ কৰিব পাৰি' কথাষাৰ কোনে কৈছিল?

(খ) পুতলা নাচ কি?

(গ) অংকীয়া নাটত মূলতঃ কেই প্ৰকাৰৰ গীত পোৱা যায়?

(ঘ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'শোণিত কুঁৱৰী' কোন শ্ৰেণীৰ নাটক?

(ঙ) ভাৰতীয় সাহিত্যত বাটৰ নাটৰ জনক কোন?

*Contd.*

২। তলৰ প্ৰশ্নবোৰৰ উত্তৰ কৰা ঃ ২×৫=১০

(ক) সংস্কৃত পৰম্পৰা মতে অভিনয় কেই প্ৰকাৰৰ আৰু কি কি?

(খ) প্ৰাচীন ভাৰতত কেই প্ৰকাৰৰ আৰু কি কি ৰঙ্গমঞ্চৰ প্ৰচলন আছিল?

(গ) অসমত প্ৰথম বাটৰ নাট কেতিয়া অভিনীত হৈছিল আৰু সেই নাটখনৰ নাম কি?

(ঘ) বিকল্প মঞ্চ দুখনৰ নাম লিখা।

(ঙ) অসমৰ এগৰাকী বিখ্যাত নাট্যকাৰ আৰু পৰিচালকৰ নাম লিখা।

৩। তলত দিয়া *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ কৰা ঃ ৫×৩=১৫

(ক) অসমৰ লোকনাট্য পৰম্পৰা সন্দৰ্ভত এটি আলোচনা আগবঢ়োৱা।

(খ) নাটক বুলিলে কি বুজা? ইয়াৰ মূল উপাদানবোৰ কি কি চমুকৈ লিখা।

(গ) প্ৰচেনিয়াম মঞ্চশৈলী কি? প্ৰচেনিয়াম মঞ্চশৈলী আৰু ইয়াৰ নিৰ্মাণ সম্পৰ্কে চমুকৈ লিখা।

(ঘ) নাটকৰ অংগসজ্জা সন্দৰ্ভত এটি আলোচনা আগবঢ়োৱা।

(ঙ) বাটৰ নাটৰ মূল উদ্দেশ্য কি?



৪। তলত দিয়া *যিকোনো দুটা* প্ৰশ্ন বহলাই লিখা ঃ ১০×২=২০

(ক) অংকীয়া নাট বুলিলে কি বুজা? ইয়াৰ বৈশিষ্ট্যবোৰ কি কি আলোচনা কৰা।

(খ) অংকীয়া নাটৰ পৰা আধুনিক নাটলৈকে মঞ্চকলাৰ কেনেধৰণৰ পৰিৱৰ্তন হৈছে বিশ্লেষণ কৰা।

(গ) অসমত ভ্ৰাম্যমান থিয়েটাৰৰ জনক কোন? কেতিয়াৰ পৰা অসমত ভ্ৰাম্যমান থিয়েটাৰৰ প্ৰচলন হয়, উল্লেখ কৰি অসমৰ ভ্ৰাম্যমান থিয়েটাৰৰ বিষয়ে আলোচনা আগবঢ়োৱা।

(ঘ) আলোক সম্পাত কি? নাট্যাভিনয়ত আলোক সম্পাতৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।



3500